# অসম আদিত্য

৩ আহাৰ, ১৯৪৬ শক ■ মঙলবাৰ, ১৮ জুন, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, June 18, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ


# পাঁচগৰাকী আদৰ্শ মহিলাক উষাৰাণী লেখাৰু সোঁৱৰণী বঁটা প্ৰদান



**বিশেষ প্ৰতিনিধি, ডিব্ৰুগড়, ১৭ জুন ঃ** বিশিষ্ট লেখিকা, নিবন্ধকাৰ, সমাজসেৱিকা গুৱাহাটীৰ বাণী ফুকন, বিশিষ্ট সমাজসেৱিকা, সু-বক্তা তথা তিনিচুকীয়া ব্ৰহ্মকুমাৰী কেন্দ্ৰৰ মুৰব্বী বিকে ৰ'জনী, বিশিষ্ট লেখিকা, চাবুৱাৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, কবি ৰূপা গগৈ, কৃতী ছাত্ৰী তথা ধেমাজিৰ উদীয়মান লেখিকা লোপামুদ্ৰা দুৱৰা, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ কৃতী ছাত্ৰী তথা ৰাজনীতি বিজ্ঞান বিভাগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সোণৰ পদকপ্ৰাপ্ত ঢকুৱাখনাৰ বিদিশা হাজৰিকালৈ উষাৰাণী লেখাৰু সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পাঁচগৰাকী মহিলা তথা ইয়াৰে দুগৰাকী ছাত্ৰীলৈ বিশিষ্ট গীতিকাৰ, কবি, লেখিকা, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰয়াত উষাৰাণী লেখাৰু সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। প্ৰয়াত উষাৰাণী লেখাৰুৰ সোঁৱৰণীত তৃতীয়বাৰৰ বাবে প্ৰদান কৰা এই বঁটাত চেলেং, স্মাৰক, সম্বৰ্ধনা-পত্ৰ আৰু নগদ ধন প্ৰদান কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা বঁটা প্ৰদান সমিতিৰ যুটীয়া সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আৰম্ভণিতে প্ৰয়াত উষাৰাণী লেখাৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যপৰ্ণ কৰে উষাৰাণী লেখাৰুৰ স্বামী তথা বিশিষ্ট লেখক দিলীপ লেখাৰুৱে। উষাৰাণী লেখাৰুৰ কনিষ্ঠ কন্যা তথা শিক্ষয়িত্ৰী, নৃত্য গুৰু বিউটী লেখাৰু শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় বিশিষ্ট লেখক, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বঁটা প্ৰদান সমিতিৰ সভাপতি ড০ শশীকান্ত শইকীয়াই। বিশিষ্ট চিকিৎসক তথা বলিষ্ঠ কবি প্ৰণয় ফুকনে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰয়াত উষাৰাণী লেখাৰুয়ে তেওঁৰ জীৱন কালত স্বাস্থ্যখণ্ডৰ সৈতে জড়িত থকাৰ লগতে অসমীয়া সংগীত আৰু সাহিত্যৰ ক্ষেত্ৰখনলৈয়ো দি যোৱা অৱদানৰ বিষয়ে উল্লেখ কৰি এগৰাকী আদৰ্শ মহিলা হিচাপে নিজৰ স্থান ৰাখি গৈছে বুলি কয়। যাৰ বাবে তেওঁৰ চাৰিগৰাকীকৈ কন্যা আজি সমাজৰ বিভিন্ন ক্ষেত্ৰত জড়িত হৈ নিজৰ নিজৰ পৰিচয় বুটলিবলৈ সক্ষম হোৱা বুলি কয়। অনুষ্ঠানত চাবুৱা ডিডিআৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট লেখিকা ড০ জুনু মহন্ত উপস্থিত থাকি প্ৰয়াত উষাৰাণী লেখাৰুৰ পৰিয়ালৰ সাহিত্য আৰু সাংস্কৃতিক তথা সামাজিক ক্ষেত্ৰখনলৈ দি অহা অৱদানৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত ডিব্ৰুগড় লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা বিশিষ্ট কবি ৰেণু ফুকন, বিশিষ্ট লেখক প্ৰাক্তন সাংবাদিক, অৱসৰপ্ৰাপ্ত শিক্ষাবিদ শ্বৰীফ আহমেদ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিউটী লেখাৰুৰ পৰিচালনাৰে চাবুৱা কাৰ্লাছৰ ছাত্ৰীসকলে এটি ভাৰত নাট্যম আৰু ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা সৃষ্টিমূলক নৃত্যই সকলোকে আৰ্কষিত কৰি তোলাৰ লগতে গীতালী মহন্ত আৰু পূৰ্ণিমা দিহিঙীয়াই উষাৰাণী লেখাৰুৰ ৰচিত কবিতা আবৃত্তি, কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ চুলতানা হাজৰিকা আৰু কল্পনা কিৰণ কাশ্যপে এটাকৈ স্বৰচিত কবিতা আবৃত্তি আৰু তৃতীয় কন্যা ছুইটী লেখাৰু চমুৱাই এটি গীত পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত প্ৰয়াত উষাৰাণী লেখাৰুৰ জোঁৱাই অমল শইকীয়া আৰু হিমাদ্ৰী চমুৱা উপস্থিত থকাৰ লগতে বিশিষ্ট লেখিকা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰাতসলতা বুঢ়াগোহাঁই, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড০ জ্যোতি ফুকন, গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী স্বপ্নালী কাকতি, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভানেত্ৰী কৰিস্মা গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক উদয়ন কুমাৰ গগৈ, ডিব্ৰুগড় নগৰ বিহু সুৰক্ষা সমিতিৰ সম্পাদিকা মীনাক্ষী দাস বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ আহ্বায়ক, লেখিকা অৰ্পনা ফুকন দাস, ডিব্ৰুগড় লেখিকা সন্থাৰ বিষয়ববীয়া প্ৰমুখ্যে কৰি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীসহ ডেৰ শতাধিক লোক উপস্থিত থাকে।



ক্ক

ধিৱেশন

অন্তপৰে। আনহাতে, তাৰিখে পুৱা ৭ বজাত ১০বজাত মূল অনুষ্ঠান াৰু জিলা পৰ্যায়ত কৃতী ক-শিক্ষয়িত্ৰীক সম্বৰ্ধনাৰ গুণোৎসৱত A+ প্ৰাপ্ত ক অভিনন্দন জ্ঞাপন কৰা থমিক শিক্ষক সন্মিলনীৰ সভাপতিত্ব অনুষ্ঠিত হয় ত আদৰণী ভাষণ প্ৰদান ৰ সম্পাদক ভদ্ৰসেন সমিতিৰ দ্বাৰা প্ৰকাশিত ৰ ডিব্ৰু মহাবিদ্যালয়ৰ জিলাৰ মুখপত্ৰ গুৰু বন্তি ্যক প্ৰাথমিক শিক্ষক দক দীপাংকৰ শৰ্মাই। অতিথি আৰু নিৰ্দিষ্ট াকে অখিল ভাৰতীয় ধান বাবুল গোস্বামীয়ে সন্থাৰ সম্পাদক অৰ্জুন

বোলা হৈছিল। আকৌ আধুনি বুৰঞ্জীবিদে কয় যে ডিব্ৰুগড় নামৰ সময়ৰ পৰাহে নিৰ্ধাৰণ কৰিব বিচ ডিব্ৰু নদীৰ মুখত প্ৰতিছে যি দুগ দুৰ্গৰ পৰাহে ডিব্ৰুগড় নামটোৰ উ দেখা যায় নামটোৰ উৎপত্তি স মতামত আগবঢ়াই আহিছে। অস কলেজ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, নামফাকে, টিপাম এই সকলোৱে মাত্ৰা প্ৰদান কৰিছে। মহাবাহ ব্ৰহ্ম দলং বগীবিল দলং ডিব্ৰুগড় জিল ডিব্ৰুগড়ৰ লগত ধেমাজি জিলাক ক্ষেত্ৰত নতুনৰ সংযোগ কৰিছে। ই গেছ ক্ৰেকাৰ প্ৰকল্প, উৱিয়াৰ আহি মন্দিৰ, নামৰূপৰ সাৰ-কাৰখানা আ এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে।

## ভগামূৰত ২০

## স্মৰণ কৰিব ক

**প্ৰতিবেদক, ডিব্ৰুগড়, ১৭ জুন** কোটোহা ভগামুৰ গৌৰৱ অন্যতম সাংস্কৃতিক, শৈক্ষিক, বৌদ্ধিক অ জ্যোতি মইনা পাৰিজাতৰ উদ্যো ৰাভা দিৱস উদ্‌যাপন কৰিবলৈ আ উপলক্ষে ভগামুৰ মিলন জ্যোতি সাংস্কৃতিক কেন্দ্ৰত আয়োজন কৰি উপলক্ষে বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবি প্ৰজ্বলন, মইনা পাৰিজাতৰ মইনা দিৱসৰ সৈতে সংগতি ৰখগীত, বিষ্ণু ৰাভাৰ জীৱনীভিত্তিক কৰ্মৱা বিষ্ণু ৰাভা সংগীতৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। জ্যোতি মইনা পাৰিজাতৰ হৈ সাধাৰণ সম্পাদক জ্ঞান দ্বীপ শইক ৰাভা দিৱস উপলক্ষে কাৰ্যসূচী উপস্থিতি, সহযোগিতা কামন আগবঢ়াইছে বুলি এক প্ৰেছ বিজ্ঞ